ADMITTED *

Priority in Ballot ..................................

No. of Notices Table ............................

# Priority Question for the Assam Legislative Assembly

## ORIGINAL UNSTARRED

D. No. ২২

Department to which the day has been allotted: - খাদ্য,অসামৰিক যোগান আৰু উপভোক্তা পৰিক্ৰমা

The question will be put down for the sitting on the:-২৯/০৩/২২

250 Cyclostyled copies of the reply should reach Assembly Secretariat Latest by 3 P.M. on. ২৫/০৩/২২

বিষয় ঃ অন্ন সুৰক্ষা সম্পৰ্কত

শ্ৰী দেৱব্ৰত শইকীয়া

৩০২/ মাননীয় খাদ্য,অসামৰিক যোগান আৰু উপভোক্তা পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইন অনুসৰি অসমত এতিয়াও কিমান যোগ্য পৰিয়াল অন্ন সুৰক্ষা আঁচনিৰ অন্তৰ্ভুক্ত হোৱা নাই? শিৱসাগৰ জিলাৰ বিশেষকৈ নাজিৰা মহকুমাৰ এনে বঞ্চিত পৰিয়ালৰ সংখ্যা জনাবনে? বাদ পৰা উপযুক্ত হিতাধিকাৰীসকলক এই আঁচনিত কেতিয়া অন্তৰ্ভুক্ত কৰিব?

(খ) এই আঁচনিৰ হিতাধিকাৰীৰ পৰিয়ালৰ সকলো সদস্যৰ নাম অন্তৰ্ভুক্ত কৰাৰ বিপৰীতে, কেৱল ২ জন বা তিনিজন সদস্যক ৰেচন কাৰ্ডত অন্তৰ্ভুক্ত কৰি বিনামূলীয়া চাউল দিয়াৰ ব্যৱস্থা সম্পৰ্কে বিভাগ জ্ঞাতনে?

(গ) এই আঁচনিত কিমান ভুৱা হিতাধিকাৰীৰ নাম অন্তৰ্ভুক্ত হৈ আছে? এই সম্পৰ্কত অসম চৰকাৰে কৰা তদন্তৰ প্ৰতিবেদনৰ তথ্য দিব।

(ঘ) যোৱা ৫ বছৰত চৰকাৰে কিমান ভুৱা হিতাধিকাৰীৰ নাম কৰ্তন কৰিছে আৰু কিমান নতুন হিতাধিকাৰী অন্তৰ্ভুক্ত কৰিছে অনুগ্ৰহ কৰি জনাবনে?

(ঙ) বৰ্তমানো ভুৱা হিতাধিকাৰীয়ে এই আঁচনিৰ সুবিধা লাভ কৰি আছে নেকি? যদি আছে, এইসকলৰ বিৰুদ্ধে কিয় এতিয়াও ব্যৱস্থা গ্ৰহণ কৰা নাই, জনাবনে?